# অসম আদিত্য

৭ শক ■ মঙলবাৰ, ৩১ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, March 31, 2026


উপলক্ষে ২৮ মাৰ্চত সন্ধিয়া ৭বজাৰ পৰা বক্তৃতা আৰু কবিতা পাঠৰ এটি মনোগ্ৰাহী অনলাইন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। কবিতা অধ্যয়ন গোট আৰু প'য়েট্ৰী উইডাউট ফীয়েৰে আয়োজন কৰা অনুষ্ঠানটিত সমালোচক আৰু সাংবাদিক মুনীন বায়নে 'আধুনিকতাবাদী নৱকান্ত ঃ হে অৰণ্য হে মহানগৰ' শীৰ্ষক এটি মননশীল বক্তৃতা প্ৰদান কৰে। নিজৰ বক্তৃতাটিত বায়নে সংকলনটিক আধুনিক অসমীয়া কবিতাৰ ইতিহাসত লেণ্ডমাৰ্ক সংকলন বুলি অভিহিত কৰে। তেওঁ নৱকান্ত বৰুৱাৰ কবিতাৰ আধুনিকতাৰ পটভূমি আৰু বৈশিষ্ট্যৰ বিষয়ে সাৰগৰ্ভ বিশ্লেষণ দাঙি ধৰে। মূল বক্তৃতাটিৰ আৰম্ভণিতে নৱকান্ত বৰুৱাৰ জীয়ৰী উপলা বৰুৱাই তেওঁৰ পিতৃৰ কবি ব্যক্তিত্বৰ বিষয়ে মনোগ্ৰাহীকৈ আলোকপাত কৰে। কবি, সমালোচক প্ৰকল্প ৰঞ্জন ভাগৱতীয়ে আঁত ধৰা অনুষ্ঠানটিত ক্ৰমে ৰাজীৱ বৰুৱা, প্ৰণয় ফুকন, দেৱেন চাপকোটা, কুশল দত্ত, মৃদুল কুমাৰ গগৈ, ৰাস্না হিলৈদাৰী, নীলম গগৈ, কৌশিক বাস্যস, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, নয়নজ্যোতি হাজৰিকা, সত্যজিৎ গগৈ আৰু কল্যাণ ভূঞাই 'হে অৰণ্য হে মহানগৰ' সংকলনৰপৰা একোটাকৈ কবিতা পাঠ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানত কবি, সমালোচক এম কামালুদ্দিন আহমেদেও নৱকান্ত বৰুৱাৰ প্ৰখ্যাত সংকলনটিৰ বিষয়ে

# আজি কানৈত বুৰঞ্জী-দৰ্শন সন্মিলন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩০ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ বুৰঞ্জী আৰু দৰ্শন বিভাগৰ উদ্যোগত, অসম মহিলা বিশ্ববিদ্যালয়, যোৰহাট, ভাৰতীয় ইতিহাস সংকলন সমিতি, অসম আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত পোন প্ৰথম বাৰৰ বাবে কাইলৈ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত অনুষ্ঠিত হ'ব অসম সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জী আৰু দৰ্শন সন্মিলন। সাহিত্য সভাৰ সভাপতি ড০ বসন্তকুমাৰ গোস্বামীয়ে উদ্বোধন কৰিবলগীয়া সন্মিলনখনিত আদৰণী ভাষণ প্ৰদান কৰিব অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ অজন্তা ৰাজবোঁৱৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড০ যোগেন চন্দ্ৰ কলিতা। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই বক্তব্য প্ৰদান কৰিবলগীয়া অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিৱাসৰ বাৰ্ষিক আলোচনী 'প্ৰতীতি' উন্মোচন কৰিব বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। বদন গগৈয়ে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিবলগীয়া সন্মিলনখনিৰ পূৰ্ণাংগ সত্ৰত অধ্যক্ষ হিচাপে উপস্থিত থাকিব ভাৰতীয় ইতিহাস সংকলন যোজনাৰ ৰাষ্ট্ৰীয় মহা সচিব হেমন্ত ধিং মজুমদাৰ, সহকাৰী অধ্যক্ষ হিচাপে উপস্থিত থাকিব ৰাজ্যিক সভাপতি গজেন্দ্ৰ অধিকাৰী, সমল ব্যক্তি হিচাপে অনলাইন মাধ্যমত সংযুক্ত হ'ব ক্ৰমে অসম সাহিত্য সভাৰ গ্ৰেট বৃটেইন শাখাৰ সভাপতি গীতা বৰুৱা, জামাৰ্নীৰ শ্ৰীমন্ত ভূঞা আৰু দক্ষিণ আফ্ৰিকাৰ ড০ মুকুট গোহাঁই। সন্মিলনখনিত উপাচাৰ্য ড০ নিৰোদ বৰুৱাই 'প্ৰাচীন অসমৰ ইতিহাস চৰ্চা ঃ সফলতা আৰু কৰণীয়' আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ ত্ৰিদিপ মহন্তই "Histroygraphy of Ancient Assam: Acheivements and Emerging Perspectives" শীৰ্ষক বিষয়ত আলোকপাত কৰিব। দৰ্শন বিষয়ৰ আলোচনা সত্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব মৰিধল মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ ভৱানী চহৰীয়া। সন্মিলনখনিৰ লগত সংগতি ৰাখি এখন সাৰাংশ পুথিও প্ৰকাশ পাব। উল্লেখ্য যে, সন্মিলনখনিৰ দুয়োখন আলোচনা সত্ৰত ত্ৰিশখন গৱেষণা-পত্ৰ পাঠ কৰা হ'ব।


